# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-08-2026
**Time :** 0705  Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে জনসাধাৰণক হস্ততাঁত সামগ্ৰী ক্ৰয় কৰিবলৈ আহ্বান জনাইছে।

২। বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দেশৰ সামুদ্ৰিক সুৰক্ষা পৰিকাঠামোৰ প্ৰযুক্তি আধাৰিত ৰূপান্তৰৰ সপক্ষে মত পোষণ কৰিছে।

৩। ভাৰতে ওড়িশাৰ চান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা মধ্যম দূৰত্বভেদি বেলিষ্টিক ক্ষেপনাস্ত্ৰ অগ্নি-ফ'ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে।

৪। ভাৰতে পেট্ৰ'লৰ সৈতে মিহলি কৰাৰ বাবে আমেৰিকাৰ পৰা বৃহৎ পৰিমাণৰ ইথানল আমদানি কৰা বুলি অভিযোগ বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে খণ্ডন কৰিছে।

*আৰু*

৪। ভাৰতৰ তন্‌ভী শৰ্মা আৰু অস্মিতা চহিলা আজি কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত কোৱাৰ্টাৰ ফাইনেলত অৱতীৰ্ণ হ'ব।

০০০০০

দ্বাদশ ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উপলক্ষে বস্ত্ৰ মন্ত্ৰালয়ে আজি ৰাষ্ট্ৰপতি ভৱনৰ সাংস্কৃতিক কেন্দ্ৰত ৰাষ্ট্ৰীয় অনুষ্ঠানৰ আয়োজন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিং আৰু বস্ত্ৰ ৰাজ্যমন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাইও অনুষ্ঠানত অংশগ্ৰহণ কৰিব। দেশৰ চহকী হস্ততাঁত ঐতিহ্যৰ উদযাপন আৰু দেশৰ সাংস্কৃতিক তথা অৰ্থনৈতিক বিকাশত শিপিনী সমাজৰ অৱদানৰ স্বীকৃতিকল্পে এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে বুলি বস্ত্ৰ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই অনুষ্ঠানত ২০২৫ বৰ্ষৰ বাবে সন্ত কবীৰ হস্ততাঁত বঁটা আৰু ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা প্ৰদান কৰা হ'ব। অনুষ্ঠানত দেশৰ হস্ততাঁত পৰম্পৰাৰ সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদান, শিল্পকলা আৰু উদ্ভাৱনৰ বাবে শিপিনীসকলক তিনিটা সন্ত কবীৰ আৰু ১৯টা ৰাষ্ট্ৰীয় হস্ততাঁত বঁটা সহ মুঠ ২২টা বঁটা প্ৰদান কৰা হ'ব। এই উপলক্ষে দেশৰ চহকী আৰু বিবিধ হস্ততাঁত পৰম্পৰা উদযাপনকল্পে চাৰিটা স্মাৰক ডাক টিকটো মুকলি কৰা হ'ব। অনুষ্ঠানত হস্ততাঁত সম্পৰ্কীয় দুখন গ্ৰন্থও মুকলি কৰা হ'ব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি বঁটা লাভ কৰা বিভিন্ন হস্ততাঁত সামগ্ৰীৰ এখন প্ৰদৰ্শনীৰো আয়োজন কৰা হৈছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সকলো নাগৰিককে উৎসাহ উদ্দীপনাৰে ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস উদযাপন কৰিবলৈ আহ্বান জনাইছে। শ্ৰীমোদীয়ে এটা ভিডিঅ' বাৰ্তা শ্বেয়াৰ কৰি কয় যে ১৯০৫ চনৰ ৭ আগষ্টত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অংশ হিচাপে স্বদেশী আন্দোলন আৰম্ভ কৰা হৈছিল আৰু সমাজৰ সকলো ক্ষেত্ৰৰ লোকে ব্ৰিটিছ শাসনৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে ঐতিহাসিক যুঁজত অৱতীৰ্ণ হৈছিল। প্ৰধানমন্ত্ৰীয়ে জনসাধাৰণক নিজ হাতেৰে বস্ত্ৰ প্ৰস্তুত কৰা দুখীয়া শিপিনী পৰিয়াল আৰু কাৰিকৰসকলক সহায় কৰিবলৈ

আহ্বান জনায়। তেওঁ লগতে ভাৰতবৰ্ষ আত্মনিৰ্ভৰ ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত ক্ষুদ্ৰ আৰু অৰ্থনৈতিকভাৱে পিছপৰা শিপিনী পৰিয়ালসমূহৰ সবলীকৰণৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰে। শ্ৰীমোদীয়ে দেশবাসীক কমেও এবিধ হস্তত াঁত সামগ্ৰী ক্ৰয় কৰিবলৈ আৰু ইয়াৰ ভিডিঅ' শ্বেয়াৰ কৰিবলৈ আহ্বান জনাইছে, যাতে ভাৰতীয় শিপিনীসকলৰ দক্ষতা আৰু শিল্পই গোলকীয় পৰ্যায়ত স্বীকৃতি লাভ কৰে।

উল্লেখযোগ্য যে ১৯০৫ চনৰ ৭ আগষ্টত আৰম্ভ কৰা স্বদেশী আন্দোলনৰ স্মৃতিত প্ৰতি বছৰে আজিৰ দিনটোত ৰাষ্ট্ৰীয় হস্ততাঁত দিৱস পালন কৰি অহা হৈছে।

ooooo

বন্দৰ, জাহাজ চলাচল আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে ভাৰতৰ বন্দৰসমূহক কেৱল সামগ্ৰী পৰিবহন ক্ষমতা আৰু কাৰ্যকৰী নিপুণতাৰে নুজুখি সুৰক্ষাৰ ক্ষেত্ৰত উদ্ভৱ হোৱা ভাবুকিৰ সন্মুখীন হ'ব পৰা যোগ্যতাৰ বিষয়েও গুৰুত্ব দিব লাগিব বুলি মত প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি দ্বিতীয় ৰাষ্ট্ৰীয় বন্দৰ নিৰাপত্তা সন্মিলন ২০২৬ত ভাষণ দি তেওঁ কয় যে ভাৰতৰ সামুদ্ৰিক নিৰাপত্তা ব্যৱস্থাত প্ৰযুক্তি নিৰ্ভৰ ৰূপান্তৰৰ প্ৰয়োজন। দেশৰ বন্দৰ যোগাযোগ আৰু আন্তঃৰাষ্ট্ৰীয় বাণিজ্যত থকা বৰ্ধিত ভূমিকাৰ বাবে সম্প্ৰতি দেখা দিয়া ভূ-ৰাজনৈতিক আৰু চাইবাৰ প্ৰত্যাহ্বানসমূহ প্ৰতিৰোধ কৰিবলৈ সংহত স্থায়ী আৰু সুসজ্জিত নিৰাপত্তা ব্যৱস্থাৰ প্ৰয়োজন। তেওঁ সামুদ্ৰিক অংশীদাৰসকলক উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি প্ৰতিষ্ঠানিক সহযোগিতা শক্তিশালী কৰি তুলিবলৈ আহ্বান জনায়। ভাৰতৰ দীৰ্ঘম্যাদী সামুদ্ৰিক লক্ষ্যসমূহ পূৰণ কৰাৰ ক্ষেত্ৰত ভৱিষ্যমুখী সুৰক্ষা পৰিবেশতন্ত্ৰ গঢ়ি তোলাৰ প্ৰয়োজনীয়তা সম্পৰ্কেও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে নিৰাপদ বন্দৰে শক্তিশালী বাণিজ্য, শক্তিশালী বাণিজ্যই শক্তিশালী অৰ্থনীতি আৰু শক্তিশালী অৰ্থনীতিয়ে এখন শক্তিশালী দেশ নিৰ্মাণ কৰে বুলি সজোৰে কয়। এই সন্মিলনত গৃহ পৰিক্ৰমা, ভাৰতীয় নৌ বাহিনী, ভাৰতীয় উপকূলৰক্ষী বাহিনী, ৰাজ্যিক সামুদ্ৰিক বোৰ্ড আদিৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে প্ৰধান বন্দৰসমূহৰ কৰ্তৃপক্ষ আৰু ভাৰতৰ সামুদ্ৰিক খণ্ডত দেখা দিয়া নিৰাপত্তাজনিত প্ৰত্যাহ্বানসমূহ নিষ্পত্তিৰ বাবে কাম কৰা কম গুৰুত্বসম্পন্ন বন্দৰ আৰু উদ্যোগসমূহৰ প্ৰতিনিধিসহ প্ৰায় ১৪০টা সংগঠনে অংশগ্ৰহণ কৰে।

ooooo

ভাৰতে ওড়িশাৰ চান্দিপুৰৰ সংহত পৰীক্ষণস্থলীৰ পৰা মধ্যম দূৰত্বভেদি বেলিষ্টিক ক্ষেপনাস্ত্ৰ অগ্নি-ফ'ৰৰ পৰীক্ষা সফলতাৰে সম্পন্ন কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই পৰীক্ষাৰ জৰিয়তে ক্ষেপনাস্ত্ৰবিধৰ পৰিচালন আৰু কাৰিকৰী মান নিশ্চিত হৈছে। কৌশলগত সামৰিক বাহিনী কামাণ্ডাৰ অধীনত এই পৰীক্ষণ সম্পন্ন কৰা বুলি মন্ত্ৰালয়ে জানিবলৈ দিছে। মন্ত্ৰালয়ে লগতে এই সফল পৰীক্ষণ দেশৰ সামৰিক প্ৰতিৰোধ ক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত অন্য এটা মাইলৰ খুটি বুলি অভিহিত কৰিছে।

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই অভিযান আৰু সাফল্যৰ বাবে কৌশলগত সামৰিক বাহিনীৰ কামাণ্ড তথা প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থাক অভিনন্দন জনাইছে। শ্ৰীসিঙে সামাজিক মাধ্যমযোগে অত্যাধুনিক প্ৰযুক্তিৰে ৰাষ্ট্ৰক সুৰক্ষিত কৰাৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে।

ooooo

ভাৰত আৰু ছিংগাপুৰে সৰ্বাত্মক কৌশলগত সহযোগিতাৰ বিশদ পৰিকল্পনা অনুযায়ী আঠটা ক্ষেত্ৰত দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ পৰ্যালোচনা কৰিছে। নতুন দিল্লীত কালি ভাৰত-ছিংগাপুৰ বিদেশ কাৰ্যালয়ত পৰামৰ্শ আলোচনাৰ উনবিংশলানি বৈঠক অনুষ্ঠিত হয়। বৈঠকত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰাচ্যৰ সচিব ৰুদ্ৰেন্দ্ৰ টেণ্ডন আৰু ছিংগাপুৰৰ বিদেশ মন্ত্ৰালয়ৰ স্থায়ী সচিব লিউক গ'হে সহ-অধ্যক্ষতা

কৰে। বৈঠকত দুয়োপক্ষই আঞ্চলিক আৰু গোলকীয় ঘটনাক্ৰমক লৈ মত-বিনিময় কৰে আৰু উমৈহতীয়া প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে আছিয়ান ৰাষ্ট্ৰগোষ্ঠীকে ধৰি আন্তঃৰাষ্ট্ৰীয় আৰু আঞ্চলিক মঞ্চসমূহৰ ঘনিষ্ঠ সহযোগিতাৰ গুৰুত্বৰ বিষয়ে দোহাৰে।

ooooo

সভ্যতাজনিত ঐতিহ্য আধাৰিত অত্যাধুনিক প্ৰগতিৰ বাট মোকলাব পৰা এখন সমাজ গঢ়ি তোলাটো চৰকাৰৰ উদ্দেশ্য বুলি  কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে মন্তব্য কৰিছে। নতুন দিল্লীত কালি চি ডি দেশমুখ বক্তৃতা প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে উপভোক্তাবাদৰ বলি নোহোৱাকৈ সমৃদ্ধিশালী, ভৌতিকতাবাদৰ বলি নোহোৱাকৈ ধনাঢ্য আৰু নিজৰ সভ্যতাজনিত বৈশিষ্ট্য নেহেৰুৱাকৈ গোলকীয় পৰ্যায়ত সফল হ'বলৈ ওলোৱাটো ভাৰতৰ বাবে সৌভাগ্যৰ কথা। সমৃদ্ধিক বিশ্বাসযোগ্যতাৰ সৈতে, উদ্যমক দায়বদ্ধতাৰ সৈতে উদ্ভাৱনক সভ্যতাজনিত জ্ঞানৰ সৈতে, গোলকীয় নেতৃত্বক সাংস্কৃতিক শিপাৰ সৈতে, পৰিবেশ সংৰক্ষণৰ বিষয়ক অৰ্থনৈতিক প্ৰগতিৰ সৈতে আৰু ব্যক্তিগত সাফল্যক সমূহীয়া কল্যাণৰ সৈতে সংযুক্ত কৰা এখন উন্নত ৰাষ্ট্ৰ গঢ়ি তোলাটো ভাৰতৰ মূল লক্ষ্য বুলি শ্ৰীমতী সীতাৰমনে মত্ব্য কৰে।

ooooo

ভাৰতৰ তন্‌ভী শৰ্মাই আজি আছানত অনুষ্ঠিত কোৰিয়া মাষ্টাৰ্ছ বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছত কোৱাৰ্টাৰ ফাইনেলত নিজ দেশৰ ৰক্ষিতা ৰামৰাজৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। প্ৰি-কোৱাৰ্টাৰ ফাইনেলত তন্‌ভীয়ে ভাৰতৰে আন এগৰাকী খেলুৱৈ শ্ৰীয়াংশী ৱলিচেট্টীক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ৰক্ষিতাই জাপানৰ মনামী ছুইজুক পৰাভুত কৰি কোৱাৰটাৰ ফাইনেলত স্থান নিশ্চিত কৰে। একেদৰে, অস্মিতা চলিহা মহিলাৰ ছিংগলছৰ অন্য এখন কোৱাৰ্টাৰ ফাইনেলত শীৰ্ষ বাছনিপ্ৰাপ্ত জাপানৰ হীনা অকেছিৰ সন্মুখীন হ'ব। অস্মিতাই দক্ষিণ কোৰিয়াৰ কিম মিন জিক পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰবেশ কৰিছে।

ইপিনে. পুৰুষৰ ডাবলছৰক কোৱাৰ্টাৰ ফাইনেলত পৃথ্বি কৃষ্ণমূৰ্তি ৰায় আৰু কৃষ্ণা প্ৰসাদ গৰাগাৰ যুটীটো মালয়েছিয়াৰ মান ৱেই চোং আৰু ছোহ উই য়িকৰ সন্মুখীন হ'ব।

ooooo

**সমাপ্ত**